**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 28-07-2025 **Time :** 07-55 Hrs.

## Assamese Morning Bulletin

উৰিয়ামঘাটৰ ৰেংমা সংৰক্ষিত বনাঞ্চলত কাইলৈ পুৱাৰ পৰা হ'বলগীয়া উচ্ছেদৰ পূৰ্বে আৰক্ষী আৰু বন বিভাগৰ তৎপৰতা বৃদ্ধি পাইছে। আমাৰ গোলাঘাটৰ সংবাদদাতাই জনোৱা মতে প্ৰশাসনে ইতিমধ্যে অঞ্চলটোত উচ্ছেদৰ বাবে শ-শ এক্সকেভেটৰ সাজু কৰিছে। উল্লেখযোগ্য যে বন বিভাগৰ জাননী লাভ কৰাৰ পাছতে অঞ্চলটোৰ পৰা প্ৰায় ৭০ শতাংশ লোক আঁতৰি গৈছে যদিও একাংশ লোক এতিয়াও সেই স্থানতে আছে। উচ্ছেদৰ পূৰ্বে বন বিভাগে সোণাৰীবিল, মধুপুৰ, খেৰবাৰী, পিঠাঘাটকে ধৰি অন্যান্য গাঁওসমূহত বসতি কৰা লোকসকলক আজিৰ ভিতৰত অঞ্চলটো খালী কৰি দিবলৈ অন্তিমবাৰৰ বাবে সকিয়াই দিছে। ইয়াৰ আগেয়ে প্ৰশাসনে জাৰি কৰা জাননীত দখল কৰা লোকসকলক সাত দিনৰ ভিতৰত এই স্থান খালী কৰিবলৈ সময়সীমা বান্ধি দিয়া হৈছিল। কেইবাটাও পৰ্যায়ত হ'বলগীয়া এই উচ্ছেদ অভিযানত প্ৰায় ১১ হাজাৰ বিঘা ভূমি দখলমুক্ত কৰা হ'ব।

মেৰাপানীৰ সমীপৰ দুই নম্বৰ নেঘেৰিবিল গাঁৱত উচ্ছেদ চলোৱাৰ বাবেও প্ৰশাসন সাজু হৈছে।

00000000

ভৈয়াম জনজাতি উন্নয়ন নিগমৰ অধীনত ধৰ্তি আবা জনজাতীয় গ্ৰাম উৎকৰ্ষ অভিযান আঁচনিৰ অধীনত জোনাই সমষ্টিৰ অন্তৰ্গত ১৮ খন বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ বাবে সুকীয়া সুকীয়া আবাসিক ভৱন নিৰ্মাণৰ মঞ্জুৰী লাভ কৰিছে। এই আঁচনিৰ অধীনত প্ৰতিখন বিদ্যালয়লৈ প্ৰায় চাৰি কোটিকৈ টকা আবণ্টন হৈছে। উল্লেখযোগ্য যে জনজাতীয় অঞ্চলৰ গাঁওসমূহৰ উন্নয়নক লৈ প্ৰধানমন্ত্ৰীৰ দূৰদৰ্শী দৃষ্টিক বাস্তৱত ৰূপায়িত কৰাৰ লক্ষ্যৰে ভৈয়াম জনজাতি উন্নয়ন নিগমে এই আঁচনিখন গ্ৰহণ কৰিছে। জোনাই সমষ্টিতে এই আঁচনিৰ অধীনত সৰ্বাধিক বিদ্যালয়ে আবাসিক ভৱন নিৰ্মাণৰ মঞ্জুৰী লাভ কৰিছে। ২৯ জুলাইত সমগ্ৰ দেশতে একেলগে ভাৰ্চুৱেলী প্ৰধানমন্ত্ৰীয়ে আধাৰশিলা স্থাপন কৰিবলগীয়া কাৰ্যসূচীৰ পূৰ্বে জোনাই সমষ্টিৰ বিধায়ক ভূবন পেগুৱে বিদ্যালয়সমূহৰ আৱাস নিৰ্মাণস্থলীসমূহ কালি পৰিদৰ্শন কৰে।

00000000

কাৰ্বি আংলং জিলাৰ বৰজান সমষ্টিৰ উন্নয়ন সমিতিৰ উদ্যোগত কালি লাংৰকু জলপ্ৰপাতৰ বনভোজস্থলীত বিভিন্ন গছৰ পুলি ৰোপণ কৰা হয়। এই গছপুলি ৰোপন কাৰ্যসূচীত কাৰ্বিআংলং স্বায়ত্ত শাসিত পৰিষদৰ কাৰ্বি ভাষা উন্নয়ন পৰিষদৰ অধ্যক্ষ তথা ডিফু চৰকাৰী মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ নবীন টেৰাঙে অংশ লয়। তেওঁলোকে লগতে জিলাখনৰ অন্যতম আকৰ্ষণীয় এই পৰ্যটনস্থলীত চাফাই অভিযানো চলায়। শ্ৰীটেৰাঙে জলপ্ৰপাতটোৰ কাষৰ ঠাইসমূহ পৰিষ্কাৰ-পৰিচ্ছন্ন ৰাখিবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়।

00000000

সদৌ অসম আহোম সভাৰ ডিব্ৰুগড় জিলা সমিতিৰ কালি অনুষ্ঠিত কাৰ্যনিৰ্বাহক সভাত ২০ খন আঞ্চলিকৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰে। জিলাখনৰ এখন হোটেলত অনুষ্ঠিত এই সভাত কেন্দ্ৰীয় সমিতিৰ সভাপতি চাও শশাংক নেওগৰ উপস্থিতিত জিলা সমিতিৰ ভালেসংখ্যক বিষয়ববীয়া আৰু কাৰ্যনিৰ্বাহক সদস্য উপস্থিত থাকে। ৰাজ্যখনৰ বৰ্তমান ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আৰু সাংগঠনিক দিশসমূহৰ পৰিপ্ৰেক্ষিতত কেইবাটাও সিদ্ধান্ত গ্ৰহণ কৰে। জিলাখনৰ আহোম যুগৰ কীৰ্তিচিহ্ন থকা স্থানসমূহ দখলমুক্ত কৰি তাৰ সংৰক্ষণ আৰু সৌন্দৰ্যবৰ্ধনৰ জৰিয়তে পৰ্যটকৰ আকৰ্ষণ হোৱাকৈ গঢ়ি তুলিবলৈ সংশ্লিষ্ট বিভাগৰ সৈতে যোগাযোগ কৰিবলৈ এই সভাত সিদ্ধান্ত লোৱা হয়। টাই-আহোম জনগোষ্ঠীক জনজাতিৰ মৰ্যাদা প্ৰদান, টাই-আহোমক স্বায়ত্ব শাসন প্ৰদান, বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন শিক্ষানুষ্ঠানত টাই-আহোমৰ বাবে আসন সংৰক্ষণৰ ব্যৱস্থা কৰা, চৰকাৰী চাকৰিত টাই-আহোমৰ বাবে সংৰক্ষণৰ ব্যৱস্থা কৰাৰ বাবেও সংশ্লিষ্ট কৰ্তৃপক্ষক আহ্বান জনাবলৈ সভাত সিদ্ধান্ত লোৱা হয়। এই কাৰ্যনিৰ্বাহক সভাত নতুনকৈ কেইবাজনো সদস্যক অন্তৰ্ভুক্ত কৰা হয়।

oooooooo

নগাওঁ জিলাৰ চাপানালাৰ ঐতিহাসিক চম্পাৱতী জলপ্ৰপাতত আনন্দ উপভোগ কৰিবলৈ গৈ দায়িত্বহীনভাৱে সুৰাপান কৰি কেবাজনো লোক মৃত্যুমুখত পৰাৰ পৰিপ্ৰেক্ষিতত জিলাখনৰ আয়ুক্তই এইক্ষেত্ৰত সজাগ হ'বলৈ আহ্বান জনাইছে। জলপ্ৰপাতৰ সমীপত উপস্থিত হৈ জিলাখনৰ আয়ুক্ত দেৱাশীষ শৰ্মাই জনসাধাৰণৰ প্ৰতি এই আহ্বান জনায়। তেওঁ কয় যে যোৱা সপ্তাহত এই অঞ্চলৰ পৰা বনভোজ খাই উভতি যোৱাৰ সময়ত চাপানালা-বামুনী সংযোগী গড়কাপ্তানী পথত হোৱা পথ দুৰ্ঘটনাত ৪ জন লোকৰ মৃত্যু হৈছিল। তেওঁ কয় যে চলিত বছৰৰ প্ৰথম ৭ টা মাহত জিলাখনত সুৰাপানৰ ফলত হোৱা দুৰ্ঘটনাত ৭০ জন লোক মৃত্যু মুখত পৰিছে। তদুপৰি শতাধিক লোক আহত হৈছে। আয়ুক্তগৰাকীয়ে এনেদৰে ৰাজহুৱা স্থানত সুৰাপান নকৰিবলৈ আহ্বান জনোৱাৰ লগতে সুৰাসক্ত হৈ যান-বাহন নচলাবলৈও আহ্বান জনায়।

oooooooo

ডিব্ৰুগড় জিলাৰ টিংখং বিধানসভা সমষ্টিৰ পৰা অন্বেষণ শৈক্ষিক কৰ্মশালাৰ অংশস্বৰূপে কালি গুৱাহাটীলৈ তিনি দিনীয়া শিক্ষামূলক ভ্ৰমণৰ বাবে অহা দলটোৰ মন্ত্ৰী বিমল বৰাই ফ্লেগ অফ কৰে। এই শৈক্ষিক ভ্ৰমণত প্ৰায় ২০৭ গৰাকী কৃতি ছাত্ৰ-ছাত্ৰীয়ে গুৱাহাটীৰ বিভিন্ন ঠাই, অনুষ্ঠান-প্ৰতিষ্ঠান পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে যোৱা ১০ দিনীয়া গ্ৰীষ্মকালীন কৰ্মশালাত এই ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। এই শিক্ষামূলক যাত্ৰাৰ ফ্লেগ অফৰ সময়ত সামাজিক সংস্থা গ্ৰ'থ ফ্ৰম গ্ৰাছৰুট্ছৰ সভানেত্ৰী জাহ্নবী বৰা, বিধায়কৰ শৈক্ষিক উপদেষ্টা সমিতিৰ সদস্যসকলৰ লগতে অন্যান্য বিশিষ্ট ব্যক্তিসকলৰ উপস্থিত থাকে।

oooooooo

**সমাপ্ত**